**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 20-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

২০২৫-২৬ বিত্তীয় বৰ্ষৰ একাদশ স্বায়ত্ত শাসিত পৰিষদৰ বাজেট ডিমা হাছাওৰ স্বায়ত্ত শাসিত পৰিষদ আৰু একেটা দলৰ কাৰ্যবাহী সদস্যই গ্ৰহণ কৰে। পৰিষদৰ বিত্ত বিভাগৰ কাৰ্যবাহী সদস্য ধনপেইনন থাউছেনে চলিত বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে। সদনত বাজেট সন্দৰ্ভত দীঘলীয়া আলোচনা হয়। বাজেট অধিবেশনত ৩০জনীয়া পৰিষদৰ ২৮জন সদস্য উপস্থিত থাকে। পৰিষদৰ অধ্যক্ষ মোহিত হোজাইৰ অধ্যক্ষতাত বিত্ত বিভাগৰ কাৰ্যবাহী সদস্য ধনপেইনন থাউছেনে দাখিল কৰা এহেজাৰ ২ কোটি ১১ লাখ ১৪ হাজাৰ টকাৰ বাজেট সদনত গ্ৰহণ কৰা হয়। আজিৰ সদনত কাৰ্যবাহী সদস্য নিৰঞ্জন হোজাই আৰু সদস্যা নমৰাথাং মাৰে বাজেট সন্দৰ্ভত বিভিন্ন প্ৰশ্ন উত্থাপন কৰে। নিৰঞ্জন হোজাইয়ে বাজেটৰ ক্ষেত্ৰত স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। একেদৰে নমৰাথাং মাৰেই পৰিষদৰ মুৰব্বী দেব'লাল গাৰ্লোছাৰ বিৰুদ্ধে কেইবাটাও অভিযোগ উত্থাপন কৰে আৰু সমাধানৰ দাবী জনায়। এইদৰে বাজটেখন বিতৰ্কৰ জৰিয়তে গ্ৰহণ কৰা হয়। অধিবেশনৰ অন্তত মুখ্য কাৰ্যবাহী সদস্য দেব'লাল গাৰ্লোছাই সংবাদ মাধ্যমৰ আগত কয় যে পাহাৰীয়া জিলাসমূহৰ উন্নয়নৰ বাবে এইবাৰৰ বাজেটখন অতি গুৰুত্বপূৰ্ণ। এইবাৰৰ বাজেটত পাহাৰীয়া জিলাখনৰ যোগাযোগ ব্যৱস্থা, স্বাস্থ্য, পৰ্যটন আৰু কৃষি খণ্ডত অধিক গুৰুত্ব দিয়া হৈছে বুলিও তেওঁ  জানিবলৈ দিয়ে।

০০০০

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উপলক্ষে আজি ডিব্ৰুগড়ত জিলা-ভিত্তিক ৰবীন্দ্ৰ সংগীত আৰু ৰবীন্দ্ৰ নৃত্য প্ৰতিযোগিতা ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন আৰু ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰও উপস্থিত থাকে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন উদ্বোধন কৰি মন্ত্ৰী প্ৰশান্ত ফুকনে নৱপ্ৰজন্মই কবিগুৰুজনাৰ গীত-নৃত্যসমূহ শুদ্ধ ৰূপত শিকি প্ৰচাৰৰ বাবে চেষ্টা কৰা উচিত বুলি মন্তব্য কৰে।

০০০০০

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। একেদৰে নিৰ্বাচন সুকলমে পৰিচালনা কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। কামৰূপ জিলাত অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে জিলাখনৰ প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলক দুদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত এই প্ৰশিক্ষণ সম্পন্ন কৰা হৈছে। কামৰূপ জিলাৰ পলাশবাৰী, বকো-ছয়গাঁও, ছমৰীয়া, হাজো-শুৱালকুছি আৰু কমলপুৰ বিধানসভা সমষ্টিত জিলা আয়ুক্তই আৰু ৰঙিয়া বিধানসভা সমষ্টিৰ নিৰ্বাচন ৰঙিয়া সমজিলাৰ আয়ুক্তই পৰিচালনা কৰিব। জিলাখনত শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ষ্ট্ৰং ৰুম, ভোটগণনা কক্ষ, তিনিটা স্থানত ক্ৰমে- দক্ষিণ কামৰূপ মহাবিদ্যালয়, আমিনগাঁও জিলা আয়ুক্তৰ কাৰ্যালয় আৰু ৰঙিয়াত সুকীয়াকৈ স্থাপন কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ধেমাজি জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ দলীয় তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ ল'ব। জিলাখনৰ চিলপথাৰৰ অকাজান হাইস্কুল খেলপথাৰত আয়োজন কৰা বিশাল নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ ১২খন জিলা পৰিষদ, ৫খন আঞ্চলিক পৰিষদ আৰু ৬৫খন গাঁও পঞ্চায়তৰ বাবে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

ধেমাজি জিলাত অহা ২ মে'ত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে জিলাখনত দলীয় প্ৰাৰ্থীৰ হৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু পীযুষ হাজৰিকাৰ লগতে সাংসদ প্ৰদান বৰুৱাইও প্ৰচাৰ অভিযান চলাইছিল।

ooooo

ইলোৰা বিজ্ঞান মঞ্চৰ উদ্যোগত আজি বজালীৰ ঘটবৰ-সাদেৰিত মানৱতাবাদী আৰু বিজ্ঞানমনস্ক ব্যক্তি তথা মৰণোত্তৰভাৱে দেহ দান কৰা মানিক চন্দ্ৰ বৰ্মনৰ সোঁৱৰণত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত প্ৰাক্তন সাংসদ উদ্ধৱ বৰ্মনে কয় যে কুসংস্কাৰে সমাজৰ ক্ষতি কৰে। গতিশীল সমাজৰ প্ৰধান অন্তৰায় হৈছে কুসংস্কাৰ। বিজ্ঞানমনস্কতাই কুসংস্কাৰ আঁতৰাই এখন গতিশীল সমাজ ৰচনা কৰিব পাৰে। ইলোৰা বিজ্ঞান মঞ্চৰ জন্মদাতা তথা বৰ্তমানৰ উপ-সভাপতি ইছফাকুৰ ৰহমানে কয় যে মৃত্যুৰ পাছত সমাজক সেৱা কৰাৰ একমাত্ৰ উপায় হ'ল মৰণোত্তৰভাৱে দেহ দান। মৰণোত্তৰ দেহ দানে স্বাস্থ্য বিজ্ঞানত অভূতপূৰ্ব অৱদান যোগায় আৰু চিকিৎসা বিজ্ঞানৰ যোগেদি মানৱ সমাজলৈ সেৱা আগবঢ়োৱা হয়। দেহ দানে মৃত্যুৰ পিছতো আঠজন ব্যক্তিক সহায় কৰিব পাৰে। উল্লেখযোগ্য যে সাদেৰি নিবাসী প্ৰয়াত মানিক চন্দ্ৰ বৰ্মনৰ ইচ্ছা অনুসৰি পৰিয়ালৰ লোকে তেওঁৰ দেহ মৰণোত্তৰভাৱে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ দান কৰিছিল।

ooooo

বজালী জিলাৰ পাটাছাৰকুছিত আজি পাউৰাতোলা আৰু বিহু ভাঙনি উৎসৱ পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হয়। ১৯ শতিকাৰ চতুৰ্থ দশকৰ পৰাই পাটাছাৰকুছি অঞ্চলত এই উৎসৱ পালন কৰি অহা হৈছে। ইয়াৰ উপৰি বেজকুছি, গোবিন্দপুৰ আদি ঠাইতো এই উৎসৱ পালন কৰা হয়। লোকবিশ্বাস মতে পাউৰাতোলা কাৰ্যৰ দ্বাৰা কৃষি কৰাৰ সময়ত পৃথিৱীলৈ বৰষুণ নামি আহে আৰু শস্যে-মৎস্যে বসুন্ধৰা নদন-বদন হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত চেন্নাই ছুপাৰ কিংছে জয়ৰ বাবে মুম্বাই ইণ্ডিয়ানছক ১৭৭ ৰাণৰ লক্ষ্য বান্ধি দিছে। চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৭৬ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ ৰবীন্দ্ৰ জাদেজাই অপৰাজিতভাৱে ৩৫টা বলত ৫৩ ৰাণ আৰু শিৱম ডুবেই ৩২টা বলত ৫০ ৰাণৰ বৰঙণি আগবঢ়ায়।

ইপিনে, চণ্ডীগড়ত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে পাঞ্জাৱ কিংছক ৭ উইকেট পৰাস্ত কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ